**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

Date : 02-09-2026 **Time :** 1100 Hrs.

গোলাঘাট জিলাৰ দেৰগাঁৱৰ লাচিত বৰফুকন পুলিচ একাডেমীত আজিৰেপৰা দুদিনীয়া কাৰ্যসূচীৰে জেষ্ঠ্য আৰক্ষী অধীক্ষক সন্মিলন অনুষ্ঠিত হৈছে। প্ৰথম দিনাৰ কাৰ্যসূচীৰ অংশ হিচাপে অসম আৰক্ষীৰ ৩২ গৰাকী উপ-আৰক্ষী অধীক্ষক আৰু ৩৭১ গৰাকী কনিষ্টবলৰ দীক্ষান্ত সমাৰোহ সম্পন্ন হয়। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই এই সমাৰোহত মুখ্য অতিথি হিচাপে উপস্থিত থাকে আৰু কুচকাৱাজৰ অভিবাদন গ্ৰহণ কৰে। অনুষ্ঠানত দিয়া ভাষণত মুখ্যমন্ত্ৰীয়ে প্ৰমাণপত্ৰ লাভ কৰিবলগীয়া আৰক্ষীৰ লোকসকলৰ বাবে আজিৰ দিনটো প্ৰাপ্তি আৰু গৌৰৱৰ দিন বুলি অভিহিত কৰে। তেওঁ কয়, যে আধুনিক নিৰাপত্তা সঁজুলি আৰু চাইবাৰ নিৰাপত্তাৰ ওপৰত এই আৰক্ষীসকলে প্ৰশিক্ষণ লাভ কৰিছে। এই অভিজ্ঞতাই তেওঁলোকক আধুনিক প্ৰযুক্তিগতভাৱে সু-সজ্জিত কৰি তুলিব। অনুষ্ঠানত দিয়া ভাষণত আৰক্ষী সঞ্চালক প্ৰধান হৰমিত সিঙে স্মাৰ্ট আৰক্ষী আৰু আদৰ্শ আৰক্ষী প্ৰশাসন ব্যৱস্থা গঢ়ি তোলাৰ ক্ষেত্ৰত মুখ্যমন্ত্ৰীৰ শক্তিশালী ভূমিকাৰ বিষয়ে উল্লেখ কৰে।

অনুষ্ঠানত পৰ্যটন, মহিলা আৰু শিশু বিকাশ বিভাগৰ মন্ত্ৰী অজন্তা নেওগ, আৰক্ষী সঞ্চালকপ্ৰধান হৰমিত সিং প্ৰমুখ্যে ভালেসংখ্যক বিশিষ্ট ব্যক্তি উপস্থিত থাকে। সন্মিলনত মাদক দ্ৰব্য সৰবৰাহ প্ৰতিৰোধক মূল বিষয় হিচাপে লোৱা হৈছে। উল্লেখযোগ্য যে মুখ্যমন্ত্ৰী ড° শৰ্মাই কিছুদিন পূৰ্বে আৰক্ষী অধীক্ষক সন্মিলনত গ্ৰহণ কৰিবলগীয়া এই বিষয়বস্তু সন্দৰ্ভত সদৰি কৰি কয়, যে মাদক দ্ৰব্য সম্পৰ্কীয় অভিযোগত ২০২১ চনৰ পৰা অসমত ২৬ হাজাৰ ৫০০ ৰো অধিক লোকক গ্ৰেপ্তাৰ কৰা হৈছে আৰু ৩ হাজাৰ ২৫৩ কোটি টকাৰ মাদক দ্ৰব্য জব্দ কৰা হৈছে। ম্যানমাৰৰ পৰা মিজোৰাম আৰু মণিপুৰৰ মাজেৰে বিভিন্ন পথেৰে অসমলৈ অনা এই সামগ্ৰী সমূহ ৰাজ্যখনৰ পৰা দেশৰ বাকী অংশলৈ সৰবৰাহ কৰা হয় বুলি মুখ্যমন্ত্ৰীয়ে জানিবলৈ দিয়ে। নতুনকৈ অৰুণাচলৰ চাংলা জিলাৰ মাজেৰে অসমলৈ মাদক দ্ৰব্য সৰবৰাহ কৰিবলৈ এটা চক্ৰই চেষ্টা চলাইছে বুলি তেওঁ উল্লেখ কৰে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্ব আৰু সমৰ্থনত ম্যানমাৰৰ সৈতে উন্নত সমন্বয়, ৰাজ্যিক সীমান্তত কঠোৰ নিৰাপত্তা আৰু ক্ষিপ্ৰতাৰে চোৰাংচোৱাৰ তথ্য বিনিময়ৰ দ্বাৰা মাদক দ্ৰব্য সৰবৰাহ ৰোধ কৰাৰ চেষ্টা চলাই থকা হৈছে বুলি মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে। প্ৰধানমন্ত্ৰী মোদীৰ নিচামুক্ত ভাৰত গঢ়ি তোলাৰ সংকল্পৰ সৈতে সমন্বয় ৰক্ষা কৰি ৰাজ্যখন আগবাঢ়ি যাব বুলি মুখ্যমন্ত্ৰীয়ে আশা প্ৰকাশ কৰে।

০০০০০০০০

কোকৰাঝাৰৰ ৰূপনাথ ব্ৰহ্ম অসামৰিক চিকিৎসালয়ৰ ডায়েলাছিছৰ ছটা গোট স্থাপনৰ বাবে বঙাইগাঁও শোধনাগাৰ আৰু বি টি চিৰ মাজত এখন বুজাবুজিৰ চুক্তি স্বাক্ষৰিত হৈছে। বি টি চিৰ অতিৰিক্ত মুখ্য সচিব প্ৰাণজিৎ ৱাৰি আৰু ভাৰতীয় তেল নিগম লিমিটেডৰ মহা প্ৰৱন্ধক মনসুখা বড়োৱে কালি বঙাইগাঁৱত ঢালিগাঁওস্থিত বি জি আৰ টাউনশ্বিপত এই চুক্তিত স্বাক্ষৰ কৰে। এই নতুন ডায়েলাইছিছ গোটকেইটাই বৃক্ক ৰোগৰ চিকিৎসা সুবিধা উন্নত কৰিব আৰু কোকৰাঝাৰ আৰু ইয়াৰ চৌপাশৰ অঞ্চলত ডায়েলাইছিছ সেৱা সহজলভ্য কৰিব বুলি আশা কৰা হৈছে।

০০০০০০০

কেন্দ্ৰীয় চৰকাৰে ১৫ ছেপ্তেম্বৰৰ পৰা অহা ৩০ নৱেম্বৰলৈ কাৰ্যকৰী হোৱাকৈ চেনি ব্যৱসায়ীসকলৰ বাবে চেনি মজুতকৰণৰ পৰিমাণ ৪ হাজাৰ কুইণ্টলৰ পৰা ২ হাজাৰ কুইণ্টললৈ হ্ৰাস কৰিছে। মূল্যৰ স্থিৰতা অক্ষুণ্ণ ৰখাৰ লগতে বজাৰত পৰ্যাপ্ত চেনি যোগান ধৰি গ্ৰাহকসকলক সুৰক্ষা দিয়াৰ লগতে অসাধু ব্যৱসায় আৰু অবৈধ মজুতকৰণ কাৰ্যক বাধা দিবলৈ এই নতুন পৰিমাণ ধাৰ্য কৰা হৈছে। ইয়াৰ আগেয়ে যোৱা ১ আগষ্টৰ পৰা চেনি ব্যৱসায়ীসকলৰ বাবে ৪ হাজাৰ কুইণ্টল পৰ্যন্ত চেনি মজুত কৰিব পৰা ব্যৱস্থা আছিল। সংশোধিত ব্যৱস্থা অনুসৰি ব্যৱসায়ীসকলে সামগ্ৰী লাভ কৰাৰ পৰা ৩০ দিনলৈহে চেনি মজুত ৰাখিব পাৰিব। কোনো ব্যৱসায়ীয়ে দেশৰ কোনো ঠাইতে ২ হাজাৰ কুইণ্টলতকৈ অধিক চেনি ৰাখিব নোৱাৰিব। অৱশ্যে বজাৰৰ প্ৰয়োজন আৰু চাহিদা অনুসৰি কলকাতা আৰু ইয়াৰ কাষৰীয়া অঞ্চলসমূহৰ ব্যৱসায়ীসকলৰ বাবে চেনি মজুতকৰণৰ পৰিমাণ ৪ হাজাৰ কুইণ্টললৈকে ধাৰ্য কৰা হৈছে। গ্ৰাহক পৰিক্ৰমা, খাদ্য আৰু ৰাজহুৱা বিতৰণ মন্ত্ৰালয়ে প্ৰকাশ কৰা মতে কলকাতা অঞ্চলত উত্তৰ প্ৰদেশ আৰু মহাৰাষ্ট্ৰৰ পৰা চেনি আমদানি কৰি উত্তৰ পূৰ্বাঞ্চলকে ধৰি দেশৰ পূব অংশলৈ যোগান ধৰা হয়। সেয়েহে কলকাতা আৰু কাষৰীয়া অঞ্চলত মজুতকৰণৰ এই নিৰ্দিষ্ট পৰিমাণ ধাৰ্য কৰা হৈছে। কেন্দ্ৰীয় চৰকাৰে ঘৰুৱা বজাৰত চেনিৰ পৰ্যাপ্ত লভ্যতা আৰু শৃংখলাবদ্ধ যোগান নিশ্চিত কৰাৰ লগতে ব্যৱসায় সুচলভাৱে পৰিচালনাৰ বাবে এই পদক্ষেপ লৈছে বুলি গ্ৰাহকসকলক আস্বস্ত কৰিছে।

০০০০০০

শিক্ষা আৰু সমাজ ক্ষেত্ৰখনলৈ আগবঢ়োৱা অৱদানৰ বাবে ডিব্ৰুগড়ৰ কলাখোৱা মিৰিপথাৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ পুন্যনাথ পাংগিঙলৈ অসম সাহিত্য সভাই শিক্ষা প্ৰভাকৰ সন্মান ২০২৬ আগবঢ়াইছে। ৫ ছেপ্তেম্বৰত শিক্ষক দিৱসৰ সৈতে সংগতি ৰাখি গুৱাহাটীৰ লক্ষ্মীৰাম বৰুৱা সদনত হ'বলগীয়া বিশেষ গুৰু প্ৰণাম কাৰ্যসূচীত এই সন্মান আনুষ্ঠানিকভাৱে প্ৰদান কৰা হ'ব। উল্লেখযোগ্য যে অসম সাহিত্য সভাই প্ৰত্যেক বছৰে সমাজলৈ শিক্ষকসকলে আগবঢ়োৱা অৱদানৰ মূল্যায়ন কৰি আহিছে। এই বছৰো ৰাজ্যখনৰ বিভিন্ন প্ৰান্তৰ পৰা ৪২ গৰাকী বিশেষ শিক্ষকক শিক্ষা প্ৰভাকৰ সন্মান ২০২৬ আগবঢ়োৱাৰ সিদ্ধান্ত গ্ৰহণ কৰা হৈছে।

০০০০০০০০

**সমাপ্ত**